# অধ্যায় ২ ঃ প্রস্তাব গ্রহণ আৰু বিবেচনা (OFFER ACCEPTANCE AND CONSIDERATION)

## অধ্যায় গাঁথনি


২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ প্রস্তাবৰ ধাৰণা
২.৪ একোটা বৈধ প্রস্তাবৰ ক্ষেত্রত থকা আইনগত নিয়ম
২.৫ প্রস্তাবৰ মিয়াদ বাতিল আৰু প্রত্যাহাৰ
২.৬ গ্রহণৰ ধাৰণা
২.৭ একোটা বৈধ গ্রহণৰ আইনগত নিয়ম
২.৮ প্রস্তাব গ্রহণ আৰু প্রস্তাব প্রত্যাহাৰ সম্পর্কে যোগাযোগ
২.৯ প্রতিদানৰ ধাৰণা
২.১০ প্রতিদানৰ আইনগত নিয়ম
২.১১ 'প্রতিদান অবিহনে, চুক্তি নহয়' বিধিৰ ব্যতিক্রম
২.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১৩ অধিক জানিবলৈ
২.১৪ অগ্রগতিৰ খতিয়ান
২.১৫ আৰ্হি প্রশ্ন


## ২.১ উদ্দেশ্য (LEARNING OBJECTUIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রস্তাবৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব
- প্রস্তাবৰ ক্ষেত্রত থকা আইনগত নিয়মবোৰ আলোচনা কৰিব পাৰিব
- গ্রহণৰ ধাৰণাটো বর্ণনা কৰিব পাৰিব
- গ্রহণৰ ক্ষেত্রত থকা আইনগত নিয়মবোৰ ব্যাখ্যা কৰিব পাৰিব
- প্রস্তাব, প্রস্তাব গ্রহণ আৰু প্রস্তাব প্রত্যাহাৰ সম্পর্কে যোগাযোগৰ ধৰণবিলাক ব্যাখ্যা কৰিব পাৰিব
- প্রতিদানৰ ধাৰণাটো বর্ণনা কৰিব পাৰিব
- প্রতিদানৰ আইনগত নিয়মবিলাক আলোচনা কৰিব পাৰিব।

## ২.২ পৰিচয় (INTRODUCTION)

আগৰ অধ্যায়ত আমি আলোচনা কৰিলো যে এটা চুক্তি হ'বলৈ হ'লে এটা পক্ষই

আগবঢ়োৱা 'বিধিসন্মত প্রস্তাব' আৰু আনটো পক্ষই সেই প্রস্তাবৰ ক্ষেত্রত কৰা এক 'বিধিসন্মত গ্রহণ' থাকিবই লাগিব। এটা বৈধ চুক্তিৰ আন এক আৱশ্যকীয় চর্ত হৈছে বিধিসন্মত বিবেচনাৰ উপস্থিতি। বিবেচনাই একোটা চুক্তিৰ গাঁথনি প্রস্তুত কৰে। উদাহৰণস্বৰূপে, যদি 'ক'ই তেওঁৰ ঘৰটো 'খ'ক ২০,০০০ টকাত বিক্রীৰ প্রস্তাব দিয়ে আৰু 'খ'ই সেই প্রস্তাব গ্রহণ কৰে, তেতিয়াই এটা চুক্তি সম্পন্ন হ'ব। এই চুক্তিত 'ক'ই প্রস্তাবটো কৰিলে, 'খ'ই প্রস্তাবটো গ্রহণ কৰিলে। 'খ'ৰ বাবে 'ঘৰ'টো হৈছে বিবেচনা আৰু 'ক'ৰ বাবে বিবেচনা হৈছে ২০,০০০ টকা।

এই অধ্যায়ত, আমি প্রস্তাব, গ্রহণ আৰু বিবেচনাৰ ক্ষেত্রত থকা আইনগত নিয়মবোৰ আলোচনা কৰিম।

## ২.৩ প্রস্তাবৰ ধাৰণা (CONCEPT OF OFFER)

'প্রস্তাব' অর্থাৎ 'proposal' বা 'offer' বুলিলে একেটা অর্থকে বুজোৱা হয় আৰু সালসলনিকৈ ব্যৱহৃত হয়। ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ২ (এ) অনুসৰি, 'যেতিয়া এজন লোকে আন এজন লোকক কোনো কাম কৰিব বা কৰাৰ পৰা বিৰত থাকিব বুলি ইচ্ছা ব্যক্ত কৰে, এনে কার্য সম্পন্ন কৰা বা বিৰত থকাৰ প্রতি আনজনৰ সন্মতি আহৰণৰ লক্ষ্য ৰাখে, তেতিয়াই তেওঁ এটা প্রস্তাৱ কৰা বুলি কোৱা হয়।' এই সংস্থাই একোটা প্রস্তাবৰ ক্ষেত্রত নিম্নোল্লিখিত তিনিটা আৱশ্যকীয় উপাদানত আলোকপাত কৰে।

(১) ই নিশ্চিতভাৱে কিবা কৰা বা কৰাৰ পৰা বিৰত থকাৰ ইচ্ছাৰ এক প্রকাশ,

(২) কিবা কৰা বা কৰাৰ পৰা বিৰত থকাৰ ইচ্ছাৰ এই প্রকাশ অন্য এজন লোকৰ প্রতি হ'ব লাগিব। এজন লোকে নিজে নিজকে প্রস্তাব দিব নোৱাৰে,

(৩) যাক এই প্রস্তাব দিয়া হয় সেই অন্য পক্ষৰ সন্মতি আহৰণৰ উদ্দেশ্যে ইচ্ছা প্রকাশ কৰিব লাগিব।

প্রস্তাব দাঙি ধৰা জনক প্রস্তাবকাৰী (promisor বা offeror) বোলা হয়, যিজন লোকক এই প্রস্তাব দিয়া হয় তেওঁক কোৱা হয় প্রস্তাব প্রাপক (offeree)। প্রস্তাব গ্রহণ কৰাৰ পিছত, প্রস্তাব প্রাপকজনক কোৱা হয় প্রস্তাবগ্রহীতা (promisee বা acceptor)।

## ২.৪ একোটা বৈধ প্রস্তাবৰ ক্ষেত্রত থকা নিয়ম (RULES REGARDING A VALID OFFER)

একোটা বৈধ প্রস্তাবত নিম্নোল্লিখিত নিয়মবিলাকৰ সংগতি থাকিব লাগিব—

(ক) **একোটা প্রস্তাব প্রকাশ বা প্রয়োগ কৰিব পাৰি ঃ** একোটা প্রস্তাব হয়তো কথাৰে নাইবা কামেৰে হ'ব পাৰে। যেতিয়া একোটা প্রস্তাব কথাৰে প্রকাশ কৰা হয়, লিখিত বা কথিত ৰূপত, তেতিয়া তাক কোৱা হয় প্রকাশিত প্রস্তাব (express offer) আৰু যিটো একোজন লোকৰ আচৰণৰ পৰা বা ঘটনাৰ পৰিস্থিতিৰ পৰা বুজা যায়, তাক কোৱা হয় 'প্রযোজ্য প্রস্তাব (implied offer)। এনেদৰে, এখন টেক্সিত উঠা মানে আহৰিত সেৱাৰ পৰিশোধ কৰিবলৈ প্রযোজ্য প্রতিশ্রুতি সৃষ্টি কৰা।

(খ) **আইনগত সম্পর্ক সৃষ্টি ঃ** প্রস্তাবে একোটা আইনগত সম্পর্কৰ সৃষ্টি কৰিব লাগে। যদি প্রস্তাবে আইনগত পৰিণতিৰ উত্থান ঘটাব নিবিচাৰে, তেতিয়া আইনৰ দৃষ্টিত উক্ত প্রস্তাব বৈধ নহয়। প্রস্তাবকৰ বাসস্থানত আহাৰ গ্রহণ কৰিবলৈ এজন বন্ধুক কৰা প্রস্তাব বা এজন লোকে পত্নীক চিনেমা দেখুৱাবলৈ কৰা প্রস্তাব একোটা বিধিগত প্রস্তাব নহয় আৰু এনেকৈ আইনগতভাৱে বলবৎ কৰিব পৰা চুক্তিৰ উত্থান ঘটিব নোৱাৰে, আনকি যদিও ইয়াক গ্রহণ কৰি লোৱা হয় আৰু ইয়াত বিবেচনা আছে, কিয়নো সামাজিক চুক্তি বা ঘৰুৱা চুক্তিত ধৰি লোৱা হয় যে ইয়াত জড়িত পক্ষসমূহে চুক্তি ভংগ হোৱাৰ বিনিময়ত আইনগত পৰিণাম বাঞ্ছা নকৰে।

(গ) **একোটা প্রস্তাবৰ চর্তাৱলী নির্দিষ্ট আৰু নিশ্চিত হ'ব লাগিব ঃ** প্রস্তাবৰ চর্তাৱলী অস্পষ্ট বা অনির্দিষ্ট হ'ব নালাগিব। যদি প্রস্তাবৰ চর্তাৱলী নির্দিষ্ট আৰু নিশ্চিত নহয়, তেন্তে ই বিধিগত প্রস্তাব হিচাপে গণ্য নহয়।

(ঘ) **প্রস্তাব নির্দিষ্ট বা সাধাৰণ হ'ব পাৰে ঃ** একোটা নির্দিষ্ট প্রস্তাব হৈছে একোজন নির্দিষ্ট ব্যক্তি বা ব্যক্তি সমষ্টিক কৰা প্রস্তাব। এনে একোটা প্রস্তাব যাক কৰা হয় তেনে ব্যক্তি বা ব্যক্তি সমষ্টিয়েহে কেৱল গ্রহণ কৰিব পাৰে। আনহাতে, একোটা সাধাৰণ প্রস্তাব বৃহৎ অর্থত সমস্ত পৃথিৱীকে কৰা হয়। সেয়ে, ইয়াক যিকোনো লোকে গ্রহণ কৰিব পাৰে।

(ঙ) **প্রস্তাব প্রাপকক অবগত কৰাবই লাগিব ঃ** একোটা প্রস্তাব যাক উদ্দেশ্য কৰি কৰা হয়, তেওঁক অৱগত কৰাবই লাগিব। একোজন লোকে কেৱল তেতিয়াহে উক্ত প্রস্তাব গ্রহণ কৰিব পাৰে যেতিয়া তেওঁ ইয়াৰ বিষয়ে জানে। প্রস্তাব প্রাপকক প্রস্তাবৰ বিষয়ে অৱগত নকৰা পর্যন্ত, গ্রহণ কৰিব নোৱাৰে।

(চ) **প্রস্তাবৰ বাবে একোটা নিমন্ত্রণ প্রস্তাব নহয় ঃ** 'প্রস্তাব গ্রহণ কৰিবলৈ কৰা একোটা নিমন্ত্রণ'তকৈ একোটা প্রস্তাব পৃথক। 'প্রস্তাব গ্রহণ কৰিবলৈ কৰা একোটা নিমন্ত্রণ'ৰ ক্ষেত্রত নিমন্ত্রণ প্রেৰণ কৰা লোকজনে প্রস্তাব নকৰে, বৰং অন্য পক্ষক প্রস্তাব গ্রহণ কৰিবলৈ কেৱল নিমন্ত্রণ কৰে। তেওঁৰ প্রকৃত উদ্দেশ্য হৈছে, এনে তথ্য লাভ কৰি, তেওঁৰ সৈতে আলোচনা কৰিব বিচৰা যিকোনো লোকৰ সৈতে তেওঁ সম্পর্ক স্থাপন কৰিব বিচৰা বুলি তথ্য সদৰী কৰা। প্রস্তাবৰ বাবে সণ্ঢালনি কৰা এনে নিমন্ত্রণ সেয়ে প্রস্তাব নহয়। 'কোটেচন' (quotation), দামৰ তালিকা (catalogues of price), বা চিহ্নিত দামসহ সামগ্রী প্রদর্শন কৰা কার্য একোটা প্রস্তাব হিচাপে পৰিগণিত নহয়। এনে ক্ষেত্রবিলাকত দোকানীয়ে একোটা প্রস্তাব কৰা নুবুজায় যাক আপুনি গ্রহণ কৰিব পাৰে। আনহাতে, তেওঁ আপোনাক একোটা প্রস্তাব কৰিবৰ বাবে নিমন্ত্রণ কৰে যাক তেওঁ গ্রহণ কৰিব পাৰে বা নকৰিবও পাৰে।

(ছ) **গ্রহণ কৰিব লগা চর্তাৱলীৰ মাজত সন্মতি নথকা চর্ত প্রস্তাবত থাকিব নালাগে ঃ** একোটা প্রস্তাবে ক'ব নোৱাৰে যে, কোনো এটা নির্দিষ্ট তাৰিখ পর্যন্ত গ্রহণ কৰা বুলি অৱগত নকৰিলে, উক্ত প্রস্তাব গ্রহণ কৰা বুলি ধৰি লোৱা হ'ব। এনে ক্ষেত্রত যদি প্রস্তাব প্রাপকজনে উত্তৰ নিদিয়ে, তেন্তে কোনো চুক্তি নহয়, ন্যায়ৰ ভিত্তিতে তেওঁৰ ওপৰত উত্তৰ দিয়াৰ

কোনো বাধ্যবাধকতা আৰোপ কৰিব পৰা নাযায়।

(জ) **যিকোনো চর্তাৱলী অনুসৰি প্রস্তাব কৰিব পাৰি ঃ** প্রস্তাবকে কৰা প্রস্তাবৰ ক্ষেত্রত তেওঁ যিকোনো চর্ত আৰোপ কৰিব পাৰে। প্রস্তাবকে আনকি গ্রহণৰ পদ্ধতিও কৈ দিব পাৰে। প্রস্তাব প্রাপক বা গ্রহণ কৰোতাই প্রস্তাবৰ সকলো চর্ত মানি ল'ব লাগিব। গ্রহণ কৰাৰ পদ্ধতিৰ ক্ষেত্রত, এই কথা মন কৰিবলগীয়া যে অইনফালে ঢাল লোৱা গ্রহণৰ ক্ষেত্রত, উদাহৰণ স্বৰূপে, যদি প্রস্তাবকে গ্রহণযোগ্যতা 'টেলিগ্রামৰ জৰিয়তে' পঠিয়াবলৈ কয় আৰু প্রস্তাব প্রাপকে তেওঁ গ্রহণ কৰা বুলি 'ডাক যোগে' পঠিয়ায়, তেতিয়া সেই গ্রহণক বৈধ গ্রহণ বুলি মানি ল'বলৈ প্রস্তাবকে অস্বীকাৰ কৰিব পাৰে।

(ঝ) **দুটা অনুৰূপ ওপৰা-উপৰি প্রস্তাবে চুক্তি সম্পন্ন নকৰে ঃ** কেতিয়াবা দুটা পক্ষই পৰস্পৰে পৰস্পৰক একে প্রস্তাব কৰে, পৰস্পৰে পৰস্পৰৰ প্রস্তাবৰ বিষয়ে অৱগত নহ'লে এনে কৰে, এইবিলাকক ওপৰা-উপৰি প্রস্তাব (cross offers) বোলা হয়। এনে ক্ষেত্রত, অন্য পক্ষই কৰা প্রস্তাব যিহেতু কোনেও গ্রহণ কৰা নাই সেয়ে কোনো বাধ্যতামূলক চুক্তি সৃষ্টি কৰা নহ'ব। উদাহৰণস্বৰূপে গুৱাহাটীৰ X-য়ে যোৰহাটৰ Y-ক তেওঁৰ গাড়ী এখন ২০,০০০ টকাত বিক্রী কৰিব বুলি এখন চিঠিৰে প্রস্তাব দিলে। একে সময়তে যোৰহাটৰ Y-য়ে গুৱাহাটীৰ X-ক তেওঁৰ (X-ৰ) গাড়ীখন ১০,০০০ টকাত কিনিব বুলি একে প্রস্তাব দিলে। X আৰু Y উভয়ৰে প্রস্তাব ডাকত পৰস্পৰে ওপৰা-উপৰি হ'ল। এই প্রস্তাবক কোৱা হয় ওপৰা-উপৰি প্রস্তাব। এনে প্রস্তাবে ইজনৰ প্রস্তাব সিজনে গ্রহণ কৰা নুবুজায়।



**অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)**

প্রশ্ন নং ১ঃ প্রস্তাব কি?

.....

.....

প্রশ্ন নং ২ঃ প্রকাশিত প্রস্তাব মানে কি?

.....

.....

## ২.৫ প্রস্তাবৰ মিয়াদ বাতিল আৰু প্রত্যাহাৰ (LAPSE AND REVOCATION OF OFFER)

নিম্নোল্লিখিত পৰিস্থিতিত একোটা প্রস্তাবৰ মিয়াদ বাতিল হয় আৰু ই নাকচ হয়।

(ক) **সময় উকলি গ'লে ঃ** যেতিয়া প্রস্তাবকে এটা সময়সীমা উল্লেখ কৰে যি সময়সীমাৰ ভিতৰত প্রস্তাব গ্রহণ কৰিবই লাগিব, উক্ত সময়সীমা শেষ হোৱাৰ লগে লগে প্রস্তাব বাতিল হয় বা কোনো সময় উল্লেখ নাথাকিলে এক যুক্তিসংগত সময়ত প্রস্তাব

বাতিল হয়। এই যুক্তিসংগত সময় কি হ'ব সেই কথা নির্ভৰ কৰে প্রতিটো ঘটনাৰ পৰিস্থিতিৰ ওপৰত।

(খ) **মৃত্যু বা বাতুলতাৰ দ্বাৰা** ঃ প্রস্তাবকৰ মৃত্যু বা বাতুলতাৰ দ্বাৰা একোটা প্রস্তাব বাতিল হয়, গ্রহণ কৰাৰ পূর্বে তেওঁৰ মৃত্যু বা বাতুলতাৰ কথা যদি গ্রহণকাৰীয়ে জানিব পাৰে [অনুচ্ছেদ ৬(৪)]। ওপৰৰ শাৰীৰ পৰা আমি অনুমান কৰিব পাৰিম যে প্রস্তাবকৰ মৃত্যু বা উন্মাদ অৱস্থাৰ অজানিতে গ্রহণ কৰা প্রস্তাবৰ দ্বাৰা ভাৰতীয় আইনত চুক্তি সম্পাদিত হ'ব পাৰে।

(গ) **নাকচ কৰি** ঃ প্রস্তাব প্রাপকে নাকচ কৰিলে একোটা প্রস্তাব বাতিল হয়। এনে নাকচ মৌখিক বা লিখিতভাৱে প্রকাশ কৰিব পাৰে বা প্রয়োগ কৰিব পাৰে। প্রযোজ্য নাকচ হৈছে এক ঃ (ক) প্রস্তাব প্রাপকে একোটা প্রতি-প্রস্তাব (counter offer) কৰিব পাৰে, বা (খ) প্রাপকে এক চর্তসাপেক্ষ গ্রহণ আগবঢ়াব পাৰে।

X-য়ে তেওঁৰ গাড়ীখন ৯০,০০০ টকাত বিক্রী কৰিব বুলি প্রস্তাব দিলে। Y-য়ে ৮০,০০০ টকাৰ প্রস্তাব দিলে যি দামত X-য়ে বিক্রী কৰিবলৈ অস্বীকাৰ কৰিলে। পৰিণতিত Y-য়ে গাড়ীখন ৯০,০০০ টকাত কিনিব বুলি প্রস্তাব দিলে। X-য়ে তেওঁৰ আগৰ প্রস্তাব মতে কাম কৰিবলৈ অস্বীকাৰ কৰিলে। Y-য়ে তেতিয়া উল্লিখিত চুক্তি সন্দর্ভত নির্ধাৰিত পদক্ষেপৰ বাবে মোকর্দমা কৰিলে। মোকর্দমা নিষ্পত্তি কৰি, আদালতে ৰায় দিলে যে, যিহেতু আগৰ প্রস্তাবত Y-য়ে ৮০,০০০ টকা দিছিল আৰু X-য়ে সেয়া নাকচ কৰিছিল আৰু পৰৱর্তী সময়ত যিহেতু কোনো চুক্তি হোৱা নাছিল সেয়ে X বিধিসন্মত।

'ক'ই তেওঁৰ মটৰ গাড়ীখন 'খ'ক ৮৫,০০০ টকাত বিক্রীৰ প্রস্তাব দিলে। 'খ'ই ক'লে যে যদি তেওঁক এটা কাৰখানাৰ মহা প্রবন্ধক হিচাপে নিযুক্তি দিয়া হয় তেন্তে তেওঁ প্রস্তাবটো গ্রহণ কৰিব। এই ক্ষেত্রত 'খ'ৰ গ্রহণ হৈছে এক 'চর্তসাপেক্ষ গ্রহণ' যিটো 'ক'ৰ প্রস্তাব নাকচ কৰা বুজাব আৰু এই ক্ষেত্রত কোনো চুক্তি হোৱা নাই।

(ঘ) **প্রত্যাহাৰ কৰি** ঃ এজন প্রস্তাবকে নিজৰ প্রস্তাব প্রত্যাহৃত কৰিব পাৰে। গ্রহণ কৰাৰ পূর্বে যিকোনো সময়ত, অন্য পক্ষলৈ প্রত্যাহাৰ কৰাৰ জাননী দি প্রস্তাবকে একোটা প্রস্তাব প্রত্যাহৃত কৰিব পাৰে। [অনুচ্ছেদ ৬(১)]। উদাহৰণ স্বৰূপে, এটা নিলাম বিক্রয়ত, 'ক'ই সর্বোচ্চ ডাক ৰাখিলে। কিন্তু হাতুৰী মৰাৰ আগতে তেওঁ সেই ডাক প্রত্যাহাৰ কৰিলে। তেতিয়া গ্রহণ কৰাৰ পূর্বেই যিহেতু প্রস্তাব ফিৰাই লোৱা হ'ল সেয়ে এটা সমাপ্ত চুক্তি হ'ব নোৱাৰো।

(ঙ) **গ্রহণ কৰাৰ পূর্বে আৰোপিত একোটা চর্ত পূৰণ নকৰিলে প্রত্যাহাৰ কৰা** ঃ অনুচ্ছেদ ৬(৩) অনুসৰি, একোটা প্রস্তাব ফিৰাই আনিব পাৰি যদিহে গ্রহণৰ পূর্বে আৰোপিত একোটা চর্ত পূৰণ কৰাত প্রস্তাব গ্রহণ কৰোতা ব্যর্থ হয়। এনেদৰে, যদি 'ক'ই তেওঁৰ গাড়ীখন 'খ'ক ৪ লাখ টকাত বিক্রীৰ প্রস্তাব দিয়ে, যদিহে 'খ'ই এসপ্তাহৰ ভিতৰত লায়ন্স ক্লাবত যোগ দিয়ে। যদি 'খ' লায়ন্স ক্লাবত যোগ দিয়াত ব্যর্থ হয়, তেতিয়া প্রস্তাব নাকচ হ'ব আৰু গ্রহণ কৰিব পৰা নাযায়।

(চ) **পৰৱর্তী আইন উলংঘা বা বিষয়বস্তুৰ অৱমাননাৰ দ্বাৰা প্রস্তাব নাকচ হয়** ঃ একোটা

প্রস্তাব সম্পাদন কৰাৰ পিছত, আৰু ইয়াক গ্রহণ কৰাৰ পূর্বে যদি ই অবৈধ হয় তেতিয়া ই নাকচ হয়। এনেদৰে, যদি ৮০০০/- টকাত ২০ বস্তা চেনী বিক্রী কৰাৰ এটা প্রস্তাব দিয়া হয় আৰু ইয়াক গ্রহণ কৰাৰ পূর্বে, এনে এক আইন প্রস্তুত হ'ল য'ত বেচৰকাৰী ব্যক্তিক চেনী বিক্রী কৰাটো বাধা দিয়া হ'ল, তেতিয়া সেই প্রস্তাব সমাপ্ত হ'ব। প্রস্তাবৰ বিষয়বস্তু হিচাপে থকা কোনো বস্তু গ্রহণ কৰাৰ পূর্বে যদি নষ্ট হয় বা বিসংগতিপূর্ণ হয় তেতিয়া একোটা প্রস্তাব নাকচ হ'ব পাৰে।



**জানি থোৱা ভাল**

ওপৰা-উপৰি প্রস্তাব (cross offer) আৰু প্রতি-প্রস্তাব (counter offer)

যেতিয়া দুটা পক্ষই পৰস্পৰে পৰস্পৰৰ প্রস্তাবৰ কথা নাজানি অনুৰূপ প্রস্তাব আগবঢ়ায়, এই প্রস্তাবক কোৱা হয় ওপৰা-উপৰি প্রস্তাব (cross offer), ওপৰা-উপৰি প্রস্তাববিলাক অনুৰূপ। ওপৰা-উপৰি প্রস্তাবৰ ক্ষেত্রত এটা প্রস্তাবক প্রস্তাব আৰু আনটোক গ্রহণ বুলি আদালতে গণ্য কৰিব নোৱাৰে আৰু সেয়ে এনে ক্ষেত্রত চুক্তি সম্পন্ন নহয়।

একোটা প্রতি-প্রস্তাব হৈছে এক চূড়ান্ত চুক্তিৰ বাবে আলোচনাৰ সময়ত আনটো পক্ষই আগবঢ়োৱা পূর্বৰ প্রস্তাবৰ প্রতিক্রিয়া স্বৰূপে আগবঢ়োৱা প্রস্তাব। লাভ কৰা প্রস্তাবৰ প্রতিক্রিয়া স্বৰূপে আগবঢ়োৱা ই এটা নতুন প্রস্তাব। এটা প্রতি-প্রস্তাব কৰা মানেই পূর্বৰ প্রস্তাব আপোনা-আপুনি নাকচ হোৱা বুজায় আৰু প্রতি-প্রস্তাবৰ অধীনস্থ চর্তাৱলী মানি লোৱা দৰকাৰ অন্যথা কোনো চুক্তি নহয়।

উদাহৰণস্বৰূপে ঃ X-য়ে Yক সুধিলে, আপুনি মোৰ গাড়ীখন ৮০,০০০ টকাত কিনিবনে? আৰু Yয়ে ক'লে নিকিনো, কিন্তু ৫০,০০০ টকাত দিলে Y-য়ে কিনিব পাৰে বুলি ক'লে— ইয়াকে প্রতি-প্রস্তাব বোলা হয়।

## ২.৬ একোটা গ্রহণৰ ধাৰণা (CONCEPT OF ACCEPTANCE)

ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ২(বি) অনুসৰি 'গ্রহণ কৰা হ'লে একোটা প্রস্তাব প্রতিশ্রুতি (promise)ত পৰিণত হয়' আৰু গ্রহণৰ সংজ্ঞাত কোৱা হৈছে— 'যাক প্রস্তাব কৰা হৈছে সেইজন লোকে তাৰ প্রতি সন্মতি প্রকাশ কৰিলে, প্রস্তাবটো গ্রহণ কৰা বুলি কোৱা হয়।'

উদাহৰণ ঃ 'ক'ই তেওঁৰ গাড়ীখন 'খ'ক ১,৫০,০০০/- টকা বিক্রী কৰাৰ প্রস্তাৱ দিলে। 'খ'ই গাড়ীখন 'ক'ৰ পৰা ১,৫০,০০০/- টকাত ক্রয় কৰিবলৈ সন্মতি প্রকাশ কৰিলে। ইয়াত 'ক'ই কৰা প্রস্তাব 'খ'ই গ্রহণ কৰা বুজায়।

## ২.৭ এটা বৈধ গ্রহণৰ আইনগত নিয়ম LEGAL RULES OF A VALID ACCEPTANCE

এটা বৈধ গ্রহণ সম্পন্ন কৰিবৰ বাবে তলত দিয়াবিলাক হৈছে অত্যন্ত গুৰুত্বপূর্ণ আইনগত নিয়ম।

- **যাক প্রস্তাব দিয়া হয় কেৱল সেইজন লোকেহে গ্রহণ কৰিব লাগিব ঃ** যাক একোটা প্রস্তাব কৰা হয় বা যাৰ সৈতে চুক্তি সম্পন্ন কৰিব বিচৰা হয় কেৱল সেইজন ব্যক্তি বা ব্যক্তি সমষ্টিয়েহে একোটা প্রস্তাব গ্রহণ কৰিব পাৰে। প্রস্তাবকৰ সন্মতি অবিহনে অন্য লোকে ইয়াক গ্রহণ কৰিব নোৱাৰে। আইনৰ নিয়ম স্পষ্ট যে 'আপুনি যদি 'ক'ৰ সৈতে এটা চুক্তি কৰিবলৈ প্রস্তাব দিয়ে তেন্তে আপোনাৰ সন্মতি অবিহনে 'খ'ই নিজকে 'ক'ৰ পৰিপূৰক হিচাপে উপস্থাপন কৰিব নোৱাৰে।' কোনো এজন নির্দিষ্ট লোকক কৰা একোটা প্রস্তাব কেৱল সেই লোকজনেহে আইনগতভাৱে গ্রহণ কৰিব পাৰে। একেদৰে একোটা প্রস্তাব যদি এদল লোকক (উদাহৰণ স্বৰূপে শিক্ষক, উকীল) কৰা হয়, তেতিয়া সেই প্রস্তাব সেই দলৰ যিকোনো এজন সদস্যই গ্রহণ কৰিব পাৰে। ব্যাপক অর্থত সমগ্র পৃথিৱীকে কৰা একোটা প্রস্তাব সেই প্রস্তাবৰ স্থিতি সম্পর্কে অৱগত যিকোনো লোকে তাক গ্রহণ কৰিব পাৰে।
- **অবিমিশ্র আৰু চর্তহীন ঃ** এটা বৈধ গ্রহণ সম্পন্ন কৰিবলৈ, ই চর্তবিহীন হোৱাৰ লগতে অবিমিশ্র হ'ব লাগিব। অনুচ্ছেদ ৭ (১) অনুসৰি একোটা গ্রহণ বৈধ হোৱাৰ বাবে নিশ্চিত (absolute) আৰু চর্তহীন (unqualified) হ'বই লাগিব। ই চুক্তি নহ'ব, যদিহে প্রস্তাবৰ চর্তাৱলী আৰু গ্রহণৰ চর্তাৱলীৰ মাজত কোনো পার্থক্য থাকে।
  উদাহৰণ ঃ 'ক'ই এটুকুৰা মাটি ৫,০০,০০০ টকাত 'খ'ক বিক্রী কৰাৰ প্রস্তাব দিলে। 'ক'ৰ প্রস্তাব গ্রহণ কৰি 'খ'ই উত্তৰ দিলে আৰু ২,০০,০০০ টকা দি চুক্তি সম্পন্ন কৰিলে আৰু বাকী থকা ৩,০০,০০০ টকা ৫০,০০০ টকাকৈ মাহেকীয়া কিস্তিত পৰিশোধ কৰাৰ প্রতিশ্রুতি দিলে। ই এক গ্রহণ নহয়। কাৰণ, 'ক'ৰ প্রস্তাবটো 'খ'ই কিস্তি হিচাপত পৰিশোধ কৰিব বুলি গ্রহণ কৰিলে, যিটো প্রস্তাবত উল্লেখ নাই।
- **গ্রহণ কৰোতাই গ্রহণৰ বিষয়ে অৱগত কৰিব লাগিব ঃ** একোটা গ্রহণ বৈধ হ'বৰ বাবে, প্রস্তাবকক এই বিষয়ে অৱগত কৰিবই লাগিব। গ্রহণ কৰোতাই প্রস্তাবকক অৱগত কৰাত ব্যর্থ হ'লে চুক্তি সম্পন্ন হ'ব নোৱাৰে।
- **এক যুক্তিসংগত সময়ৰ ভিতৰত আৰু প্রস্তাব বাতিল বা প্রত্যাহৃত কৰাৰ পূর্বে গ্রহণ কৰিব লাগিব ঃ** এক যুক্তিসংগত সময়সীমাৰ ভিতৰত গ্রহণ কার্য সম্পন্ন কৰিব লাগিব। সাধাৰণতে, এই সময় প্রস্তাবকে ধার্য কৰে। কিন্তু, যদিহে প্রস্তাবকে কোনো নিদিষ্ট সময় ধার্য কৰি নিদিয়ে, তেন্তে ই এক যুক্তিসংগত সময়ৰ ভিতৰত সম্পন্ন হ'ব লাগিব কিয়নো একোটা প্রস্তাব অনির্দিষ্ট কালৰ বাবে মুকলি ৰাখিব নোৱাৰে। প্রস্তাবটো প্রত্যাহাৰ কৰাৰ পূর্বে গ্রহণ কার্য সম্পন্ন কৰিবই লাগিব। ইয়াৰ দ্বাৰা এইটো প্রযোজ্য হয় যে প্রস্তাব কার্যকৰী হৈ থকাৰ সময়তেই গ্রহণ কার্য সম্পন্ন হ'ব লাগিব, অর্থাৎ প্রস্তাব প্রত্যাহাৰ কৰা বা বাতিল কৰাৰ পূর্বে যদি প্রস্তাব ফিৰাই লোৱা হয় তেন্তে গ্রহণ কৰিবলৈ একো নাথাকে।

- **পদ্ধতি অনুসৰি গ্রহণ ঃ** ভাৰতীয় চুক্তি আইন ১৮৭২ৰ অনুচ্ছেদ ৭(২) অনুসৰি, প্রস্তাবকে যেতিয়া গ্রহণৰ একোটা নির্দিষ্ট পদ্ধতি উল্লেখ কৰে, তেতিয়া গ্রহণ কৰোতাই সেই পদ্ধতি অনুসৰণ কৰিব লাগে, প্রস্তাবকে যদি গ্রহণৰ কোনো পদ্ধতিৰ বিষয়ে উল্লেখ নকৰে, তেতিয়া কেতবোৰ প্রচলিত আৰু যুক্তিসংগত পদ্ধতি অনুসৰি গ্রহণ কার্যৰ বিষয়ে অৱগত কৰিব লাগে।

  উদাহৰণ ঃ 'ক'ই প্রস্তাবৰ এখন চিঠি ডাকযোগে প্রেৰণ কৰি 'খ'লৈ এটা প্রস্তাব প্রেৰণ কৰিলে। য'ত 'ক'ই গ্রহণৰ পদ্ধতি সম্পর্কে উল্লেখ কৰা নাই, তেতিয়া 'খ'ই 'প্রচলিত আৰু যুক্তিসংগত পদ্ধতিৰে' গ্রহণ কার্য সম্পন্ন কৰিব পাৰে। সেই প্রচলিত পদ্ধতি এক যুক্তিসংগত সময়ৰ ভিতৰত গ্রহণৰ এখন চিঠি ডাকযোগে প্রেৰণ কৰিও হ'ব পাৰে।
- **প্রস্তাবৰ পিছতে গ্রহণ সম্পন্ন হ'ব লাগিব ঃ** প্রস্তাব লাভ কৰাৰ পিছত গ্রহণ সম্পন্ন কৰিব লাগিব। প্রস্তাবৰ পূৰ্বে গ্রহণ সম্পন্ন হ'ব নালাগে। একোটা কোম্পানীত যি লোকে অংশৰ বাবে আবেদন নকৰে তেনে লোকক অংশ আবণ্টন কৰা হয়। পৰিণতিত, পূৰ্বৰ আবণ্টনৰ বিষয়ে জ্ঞাত নোহোৱাকৈ তেওঁ অংশৰ বাবে আবেদন কৰে। ইয়াৰ পৰিণাম স্বৰূপে আবেদনৰ পূৰ্বে আবণ্টিত অংশ খাৰিজ কৰা হয়।



**অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)**

প্রশ্ন নং ৩ঃ গ্রহণৰ সংজ্ঞা দিয়ক

.....

.....

## ২.৮ প্রস্তাব, প্রস্তাব গ্রহণ আৰু প্রত্যাহাৰ সম্পর্কে যোগযোগ (COMMUNICATION OF OFFER, ACCEPTANCE AND REVOCATION)

যেতিয়া প্রস্তাবক আৰু প্রস্তাব গ্রহণ কৰোতা মুখামুখী হয় আৰু সোঁ-শৰীৰে আলোচনা কৰে, তেতিয়াই প্রস্তাব আৰু প্রস্তাব গ্রহণৰ পোনপটীয়া যোগাযোগ সম্পন্ন হয়। যি মুহূৰ্তত প্রস্তাবকে আগবঢ়োৱা প্রস্তাবৰ প্রতি প্রস্তাব গ্রহণ কৰোতাই তেওঁৰ চর্তহীন আৰু অবিমিশ্র গ্রহণ আগবঢ়ায়, তেতিয়াই এক বৈধ চুক্তি সম্পন্ন হয়। কিন্তু যি ক্ষেত্রত প্রস্তাবক আৰু গ্রহণ কৰোতাৰ মাজত দূৰত্বৰ বাবে তেওঁলোকে যোগাযোগৰ বাবে ডাকঘৰৰ সেৱা ব্যৱহাৰ কৰে, তেনে ক্ষেত্রত একোটা প্রস্তাব বা গ্রহণ সম্পন্ন কৰা বা প্রত্যাহাৰ কৰাৰ সঠিক সময় নিৰূপণ কৰাতো সদায়ে সহজ নহয়। এনে ক্ষেত্রত অনুচ্ছেদ ৪ আৰু ৫ত উল্লিখিত এই নিয়মবিলাক প্রযোজ্য হয় ঃ

(ক) **একোটা প্রস্তাব জ্ঞাপনৰ কার্য ঃ** যিজন লোকক প্রস্তাব দিয়া হয় তেওঁ প্রস্তাবটোৰ বিষয়ে অৱগত হ'লে, অর্থাৎ প্রস্তাব সম্বলিত পত্রখন প্রস্তাব গ্রহীতাই পালে একোটা প্রস্তাবৰ জ্ঞাপন কার্য সম্পূর্ণ হয়।

(খ) **একোটা প্রস্তাব গ্রহণৰ সম্পর্কে যোগাযোগ ঃ** একোটা প্রস্তাব গ্রহণৰ দুটা দিশ আছে, যেনে, প্রস্তাবকৰ বিপৰীতে আৰু গ্রহণ কৰোতাৰ বিপৰীতে। একোটা প্রস্তাব গ্রহণ সম্পর্কে যোগাযোগ সম্পূর্ণ হয় (ক) প্রস্তাবকৰ বিপৰীতে, গ্রহণ কৰোতাৰ ক্ষমতা অনুসৰি যেতিয়া প্রস্তাবকলৈ ইয়াক প্রেৰণ কৰা হয় আৰু (খ) গ্রহণ কৰোতাৰ বিপৰীতে, যেতিয়া ই প্রস্তাবকৰ অৱগত হয়, অর্থাৎ যেতিয়া প্রস্তাবকে গ্রহণৰ পত্র লাভ কৰে।

(গ) **প্রস্তাব প্রত্যাহাৰ সম্পর্কে যোগাযোগ ঃ** একোটা প্রস্তাব প্রত্যাহাৰ সম্পর্কে যোগাযোগৰ দুটা দিশ আছে, (ক) প্রত্যাহাৰ কৰোতা লোকজনৰ বিপৰীতে, যাক উদ্দেশ্য কৰি ইয়াক সম্পন্ন কৰা হয় সেই লোকজনলৈ প্রত্যাহাৰ কৰোতাৰ ক্ষমতা অনুসৰি যেতিয়া ইয়াক প্রেৰণ কৰা হয়, অর্থাৎ যেতিয়া প্রত্যাহাৰৰ পত্রখন ডাকত দিয়া হয়, আৰু (খ) যাক উদ্দেশ্য কৰি ইয়াক সম্পন্ন কৰা হয় সেই লোকজনৰ বিপৰীতে, যেতিয়া এই বিষয়ে তেওঁ অৱগত হয়, অর্থাৎ যেতিয়া প্রত্যাহাৰৰ পত্রখন তেওঁ লাভ কৰে।

## ২.৯ প্রতিদানৰ ধাৰণা (CONCEPT OF CONSIDERATION)

একোটা বৈধ চুক্তিৰ অপৰিহার্য উপাদান হৈছে প্রতিদান। প্রতিদান (consideration) শব্দটোৰ অর্থ হৈছে চুক্তিক সম্পন্ন কৰা প্রতিশ্রুতিৰ সমপৰিমাণ বা এক প্রতিদান হিচাপে গ্রহণ কৰা বা সন্মতি প্রদান কৰা বস্তু (something)। পলক (Pollock)ৰ মতে, 'প্রতিদান হৈছে সেই মূল্য যাৰ বিনিময়ত আনজনৰ বাবে প্রতিশ্রুতি ক্রয় কৰা হয় আৰু এনেদৰে মূল্যৰ হেতু প্রদান কৰা প্রতিশ্রুতি বলবৎ যোগ্য।' তদুপৰি, 'কাৰি বনাম মিছা'ৰ বিখ্যাত ইংৰাজী গোচৰত প্রতিদানক— এটা পক্ষই আহৰণ কৰা কেতবোৰ অধিকাৰ, সুত, লাভ বা মুনাফা অথবা অন্য পক্ষই দায়িত্ব লোৱা সহিষ্ণুতা, সিদ্ধান্ত, ক্ষতি বা দায়বদ্ধতাক বুজায়। ন্যায়াধীশ পেটাৰছনৰ ভাষাত, 'প্রতিদান মানে তেনে কেতবোৰ, আইনৰ দৃষ্টিত যাৰ কিছু মূল্য থাকে... ই গুচৰীয়াৰ বাবে কিছু মুনাফা বা পদকীয়াৰ বাবে কিছু বাধ্যবাধকতা হ'ব পাৰে।'

ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ২ (ডি)ৰ অধীনত বিবেচনা সংজ্ঞা এনেদৰে দিয়া হৈছে— 'যেতিয়া, প্রস্তাবকৰ ইচ্ছানুক্রমে প্রস্তাব গ্রহীতাজনে বা অন্য কোনোলোকে কোনো কাম সমাধা কৰিলে বা সমাধা কৰাৰ পৰা বিৰত থাকিলে বা কোনো কাম কৰে বা কৰাৰ পৰা বিৰত থাকে অথবা কৰাৰ বা কৰাৰ পৰা বিৰত থকাৰ প্রতিশ্রুতি দিয়ে তেনে কাম বা বিৰত থকা কার্য বা প্রতিশ্রুতিক, সেই প্রতিশ্রুতিৰ প্রতিদান বুলি কোৱা হয়।'

প্রতিদানক সৃষ্টি কৰাৰ বাবে প্রতিশ্রুতি পাওঁতাই পৰিশোধ কৰা মূল্য হিচাপে সংজ্ঞায়িত কৰিব পাৰি। প্রতিদানক 'quid pro quo' হিচাপে গণ্য কৰিব পাৰি, যাক প্রতিদান হিচাপে কিবা দিয়া বুজায়। ই হৈছে একোটা প্রতিশ্রুতি ক্রয় কৰাৰ মূল্য।

উদাহৰণ ঃ 'এম'য়ে তেওঁৰ ঘৰটো 'এন'ক ১,০০,০০০ টকাত বেচিবলৈ সন্মত হ'ল। এই ক্ষেত্রত, 'এম'ৰ প্রতিশ্রুতিৰ বাবে প্রতিদান হৈছে ১,০০,০০ টকা আৰু 'এম'ৰ প্রতিশ্রুতিৰ বাবে প্রতিদান হৈছে ঘৰটো।



**অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)**

প্রশ্ন নং ৪ঃ বিবেচনাৰ সংজ্ঞা দিয়ক।

.....

.....

## ২.১০ প্রতিদানৰ আইনগত নিয়ম (LEGAL RULES OF CONSIDERATION)

একোটা বৈধ প্রতিদান বৈধ হ'বৰ বাবে নিম্নোল্লিখিত আইনগত আৱশ্যকতাসমূহ পূর্ণ হ'ব লাগিব ঃ

- **প্রতিশ্রুতি দিওঁতাৰ ইচ্ছানুসাৰে ঃ** বিধিগত প্রতিদান গঠন কৰিবৰ বাবে কোনো কাম কৰা বা কৰাৰ পৰা বিৰত থকাৰ প্রতিশ্রুতি, প্রতিশ্রুতি দিওঁতাৰ ইচ্ছা অনুসৰি বা অনুৰোধ সাপেক্ষে সম্পন্ন হ'ব লাগিব। এনে কার্য বা সেৱা স্ব-ইচ্ছাই সম্পাদন কৰিলে বা তৃতীয় পক্ষৰ ইচ্ছানুসাৰে কৰিলে, তেতিয়া এক চুক্তি হিচাপে গণ্য কৰিবলৈ ই এক বৈধ প্রতিদান নহ'ব।

  উদাহৰণ ঃ 'এ'ই দেখিলে যে 'বি'ৰ ঘৰত জুই লাগিছে আৰু সেই জুই নুমুওৱাত সহায় কৰিলে। 'বি'য়ে তেওঁৰ পৰা সহায় বিচৰা নাছিল। তেতিয়া 'এ'ই তেওঁৰ সেৱাৰ বাবে ধন (প্রতিদান) বিচাৰিব নোৱাৰে।

- **প্রতিদান বাস্তব হ'ব লাগিব ঃ** আইনগত দৃষ্টিকোণৰ পৰা, প্রতিদানৰ কিছু মূল্য থাকিবই লাগিব। প্রতিদান ভ্রান্তিমূলক বা স্থিতিহীন বস্তু হ'ব নোৱাৰে। যদি প্রতিদান শাৰীৰিকভাৱে অসম্ভৱ, অবৈধ, অনিশ্চিত বা ভ্রান্তিমূলক হয়, ই তেতিয়া বাস্তব নহয় আৰু সেয়ে এক বৈধ প্রতিদান নহ'ব।

- **ৰাজহুৱা কর্তব্য ঃ** প্রতিশ্রুতিৰ ক্ষেত্রত, যিটো ইতিমধ্যে ৰাজহুৱা কর্তব্যৰ অধীন, এনে কর্তব্য পালনৰ বাবে প্রকাশ কৰা প্রতিশ্রুতি একোটা প্রতিদান নহ'ব।

  উদাহৰণ ঃ 'এক্স'য়ে 'ৱাই'ক এটা নির্দিষ্ট পথ নির্মাণ কৰি দিয়াৰ প্রতিশ্রুতি দিলে যদিহে ইয়াৰ বিপৰীতে 'এক্স'ক ৫০,০০০/- টকা দিয়া হয়, যিটো পথ ইতিমধ্যে গড়কাপ্টানীয়ে নির্মাণ কৰাৰ পৰিকল্পনা কৰি থৈছে। সেয়ে, তেনে ক্ষেত্রত কোনো প্রতিদান নহ'ব আৰু চুক্তি নহ'ব।

- **বাটৰুৱাক দিয়া প্রতিশ্রুতি ঃ** চুক্তি সম্পন্ন কৰিব বুলি বাটৰুৱা বা অপৰিচিত লোকক দিয়া প্রতিশ্রুতি এইবাবেই কার্যকৰী হোৱাৰ যোগ্য যে প্রতিশ্রুতি দিওঁতাই নিজৰ ওপৰত এক নতুন বাধ্যবাধকতা গা পাতি লয় যিটো বাটৰুৱাজনে দাবী কৰিব পাৰে।

  উদাহৰণ ঃ যদি 'ৱাই'য়ে 'কিউ'ক বিয়া পাতে তেন্তে 'এক্স'-য়ে 'ৱাই'ক ১,০০,০০০ টকা দিব বুলি প্রতিশ্রুতি দিয়ে। 'কিউ'ৰ সৈতে 'ৱাই'ৰ চুক্তিৰ পূর্ণতা ১,০০,০০০ টকা দিব বুলি 'এক্স'য়ে দিয়া প্রতিশ্রুতি সমর্থন কৰাৰ ওপৰত বিবেচনাধীন।

- **প্রতিদান উপযুক্ত হোৱাৰ প্রয়োজন নাই ঃ** ভাৰতীয় চুক্তি আইন, ১৮৭২ ৰ অনুচ্ছেদ ২০ৰ অধীনত, একোটা পক্ষই মুক্তভাৱে সন্মতি জনোৱা একোটা চুক্তি কেৱল প্রতিদান অনুপযুক্ত হোৱা বাবেই বাতিল নহয়। বৰঞ্চ প্রতিদানৰ অনুপযুক্ততাৰ প্রসংগও আদালতে বিচাৰৰ আওতালৈ আনিব পাৰে, যেতিয়া প্রতিশ্রুতি দিওঁতাৰ সন্মতি মুক্তভাৱে দিয়া হৈছিল নে নাই সেই কথা নির্ধাৰণ কৰা হয়।

  উদাহৰণ ঃ 'এ'ই তেওঁৰ ১,০০,০০০ টকীয়া মটৰ গাড়ীখন ১০০ টকাত বিক্রী কৰাৰ সন্মতি প্রদান কৰিলে। যদি এই চুক্তিত 'এ'ই মুক্তিভাৱে সন্মতি প্রদান কৰিছে, তেন্তে প্রতিদানৰ অনুপযুক্ততা সত্বেও এই সন্মতি এক চুক্তি হ'ব।

- **প্রতিদান অবৈধ, অনৈতিক বা ৰাজহুৱা নীতিৰ পৰিপন্থী হ'ব নোৱাৰে ঃ** একোটা চুক্তি বৈধ কৰিবলৈ হ'লে, সন্মতিৰ বাবে ৰখা প্রতিদান আইনসংগত হ'ব লাগিব। আইন বহির্ভূত প্রতিদানই সন্মতি বা চুক্তি বাতিল কৰিব। নিম্নোল্লিখিত ক্ষেত্রত একোটা চুক্তিৰ প্রতিদান আইন বহির্ভূত বুলি গণ্য কৰা হয় ঃ

  (ক) যদি ই আইনৰ দ্বাৰা নিষিদ্ধ।

  (খ) যদি ই এনে প্রকৃতিৰ হয় যে ইয়াৰ প্রতি দিয়া অনুমতিয়ে আইনৰ কোনো ব্যৱস্থা উলংঘা কৰে।

  (গ) যদি ই প্রবঞ্চনাকাৰী হয়।

  (ঘ) যদি ই আনৰ ব্যক্তি অথবা সম্পত্তিৰ হানি কৰে।

  (ঙ) যদি আদালতে ইয়াক অনৈতিক বা ৰাজহুৱা নীতিৰ পৰিপন্থী বুলি গণ্য কৰে।

  উদাহৰণ ঃ 'এক্স'য়ে 'ৰাই'ক ৰাজহুৱা সেৱা খণ্ডত নিয়োগৰ এটা সুযোগ দিব বুলি প্রতিশ্রুতি দিয়ে আৰু 'ৰাই'য়ে 'এক্স'ক ১,০০,০০০ টকা দিব বুলি প্রতিশ্রুতি দিয়ে। এই চুক্তি নাকচ হ'ব। ১,০০,০০০ টকাৰ বিবেচনাটো আইন বহির্ভূত।

- **প্রতিদান অতীত, বর্তমান বা ভৱিষ্যৎ হ'ব পাৰে ঃ** ভাৰতীয় আইন মতে, তিনি প্রকাৰৰ প্রতিদান থাকিব পাৰে, যেনে— অতীত, বর্তমান আৰু ভৱিষ্যৎ। প্রতিদানক এইদৰে সংজ্ঞা দিব পাৰি যে, প্রতিশ্রুতিদাতাৰ ইচ্ছানুযায়ী, প্রতিশ্রুতিগ্রহীতাই বা অন্য কোনো লোকে কোনো কাম সমাধা কৰিলে বা সমাধা কৰাৰ পৰা বিৰত থাকিলে বা কোনো কাম কৰে বা কৰাৰ পৰা বিৰত থাকে অথবা কৰাৰ বা কৰাৰ পৰা বিৰত থকাৰ প্রতিশ্রুতি দিয়ে। ইয়াত 'সমাধা কৰিলে বা সমাধা কৰাৰ পৰা বিৰত থাকিলে' শব্দকেইটাৰ অর্থ হৈছে প্রতিদান এটা কার্য যিটো প্রতিশ্রুতি দিওঁতাৰ ইচ্ছানুসৰি ইতিমধ্যে কৰা হৈছে, অর্থাৎ বর্তমানৰ প্রতিশ্রুতিৰ ক্ষেত্রত প্রতিদান ইতিমধ্যে সম্পন্ন হৈছে। ইয়াক অতীত প্রতিদান বোলা হয়।

  আনহাতে, 'কৰা বা কৰাৰ পৰা বিৰত থকা'ৰ অর্থ হৈছে, প্রতিদান এটা কার্য যিটো প্রতিশ্রুতি দিওঁতাৰ ইচ্ছানুসৰি প্রতিশ্রুতি পাওঁতা বা আন কোনো লোকে কৰে। ইয়াত প্রতিশ্রুতি দিওঁতাই তেওঁৰ প্রতিশ্রুতিৰ সৈতে একে সময়তে প্রতিদান গ্রহণ কৰে। ইয়াক বর্তমান প্রতিশ্রুতি বোলা

হয়। 'কৰাৰ পৰা কৰাৰ পৰা বিৰত থকাৰ প্রতিশ্রুতি দিয়াৰ' শব্দকেইটাৰ অর্থ হৈছে এটা কার্য যিটো ভৱিষ্যতৰ কোনোবা সময়ত কৰিব বুলি প্রতিশ্রুতি পাওঁতা বা আন কোনো লোকে কৰা প্রতিশ্রুতি। ইয়াক ভৱিষ্যৎ প্রতিদান বোলা হয়।

- **অতীত প্রতিদান ঃ** যেতিয়া প্রতিশ্রুতি দিওঁতাৰ ইচ্ছানুসৰি কোনো কাম চুক্তিৰ তাৰিখৰ পূর্বেই সমাধা কৰা হ'ল বা ইয়াক কোৱা হয় অতীত প্রতিদান। অতীত প্রতিদান তেতিয়াহে গ্রহণীয় মংগলজনক হয় যেতিয়া ইয়াক প্রতিশ্রুতি দিওঁতাৰ ইচ্ছানুসৰি প্রতিশ্রুতি পাওঁতাই প্রদান কৰে। উদাহৰণ স্বৰূপে, 'বি'ৰ অনুৰোধ মর্মে 'এ'ই 'বি'ৰ পুতেকক ফেব্রুৱাৰী মাহত পঢ়ুৱালে আৰু মার্চ মাহত এই সেৱাৰ বাবে ২০০০ টকা দিব বুলি 'বি'য়ে প্রতিশ্রুতি দিলে। 'এ'ৰ সেৱা হ'ব অতীত প্রতিদান।
- **বর্তমান প্রতিদান ঃ** প্রতিশ্রুতিৰ সৈতে একে সময়তে সম্পন্ন হোৱা প্রতিদানক বর্তমান প্রতিদান বোলা হয়। উদাহৰণ স্বৰূপে, 'এ'ই এটা মোবাইল 'বি'ক বিক্রী কৰিলে আৰু প্রদান কৰিলে আৰু ইয়াৰ বাবে ভৱিষ্যতৰ এটা তাৰিখত 'বি'য়ে পৰিশোধ কৰাৰ প্রতিশ্রুতি দিলে। যিহেতু 'বি'ৰ প্রতিশ্রুতিৰ একে সময়তে 'এ'ই তেওঁৰ মোবাইল প্রদান কার্য সম্পন্ন কৰিলে সেয়ে 'এ'ই কৰা প্রতিদান এটা বর্তমান প্রতিদান।
- **ভৱিষ্যৎ প্রতিদান ঃ** যেতিয়া দুয়ো পক্ষৰ প্রতিদান ভৱিষ্যতৰ এটা তাৰিখত সম্পন্ন কৰিবলৈ থোৱা হয় তেতিয়া তাক কোৱা হয় ভৱিষ্যৎ প্রতিদান। উদাহৰণ স্বৰূপে, এসপ্তাহৰ পিছত ৫০০০ টকাত ৫ বস্তু চাউল বিক্রী কৰিব আৰু আদায় দিব বুলি 'এ'ই 'বি'ক প্রতিশ্রুতি দিলে, আদায় দিয়াৰ সময়ত চুক্তিবদ্ধ দাম পৰিশোধ কৰিব বুলি 'বি'য়ে দিয়া প্রতিশ্রুতিৰ ওপৰত নির্ভৰ কৰি 'এ'ই এই প্রতিশ্রুতি দিয়ে। 'এ'ৰ প্রতিশ্রুতি 'বি'ৰ প্রতিশ্রুতিৰ দ্বাৰা সমর্থিত আৰু দুয়োপক্ষৰ ওপৰতে এই প্রতিদানৰ কার্যকাৰিতা নির্ভৰশীল।
- **প্রতিশ্রুতি দিওঁতা বা আন যিকোনো লোকৰ পৰা প্রতিদান সম্পন্ন হ'ব পাৰে ঃ** ভাৰতীয় আইন মতে, প্রতিশ্রুতি দিওঁতা বা আন যিকোনো লোকৰ পৰা প্রতিদান সম্পন্ন হ'ব পাৰে। ইয়াৰ অর্থ এইটোৱেই যে তৃতীয় পক্ষৰ পৰা অহা প্রতিদান সত্বেও, একোজন লোকে একোটা চুক্তিৰ ওপৰত বিচাৰ দাবী কৰিব পাৰে।

  উদাহৰণ ঃ 'এক্স'য়ে তেওঁৰ পত্নী 'ৱাই'ক তেওঁৰ সম্পত্তি মঞ্জুৰ কৰিলে আৰু তেওঁৰ ভাতৃ 'জেড'ক এটা বার্ষিক ভাট্টা দিবলৈ 'ৱাই'ক ক'লে। 'ৱাই'য়েও 'জেড'ক সেই ভাট্টা দিব বুলি প্রতিশ্রুতি দি এটা চুক্তি কৰিলে। এই ক্ষেত্রত 'ৱাই'য়ে দিবলগা প্রতিদানৰ কোনো অংশ 'এক্স'য়ে পাবলগা নহয় যদিও ইয়াৰ ওপৰত 'এক্স'য়ে বিচাৰ দাবী কৰিব পাৰে।
- **আইনৰ দৃষ্টিত প্রতিদানৰ কিছু মূল্য থাকিবই লাগিব ঃ** প্রতিদান এনে হ'বই লাগিব যাৰ ক্ষেত্রত আইনে এটা মূল্য আৰোপ কৰে। ই বাস্তৱ আৰু উপযুক্ত হ'বই লাগিব।

  উদাহৰণ ঃ এটা অপৰাধৰ অনুসন্ধানৰ বাবে এজন আৰক্ষী বিষয়াক ধন দিব বুলি 'এ'ই দিয়া প্রতিশ্রুতি প্রতিদান হিচাপে গণ্য নহয় কিয়নো তেওঁ তেনে কৰিবলৈ ইতিমধ্যে আইনগতভাৱে বাধ্য।

## ২.১১ 'প্রতিদান অবিহনে চুক্তি নহয়' নিয়মৰ ব্যতিক্রম (EXCEPTION TO THE RULE "NO CONSIDERATION, NO CONTRACT")

'প্রতিদান নোহোৱাকৈ কৰা একোটা চুক্তি গ্রহণযোগ্য নহয়।' কিন্তু আইনত ইয়াৰ কেইটামান ব্যতিক্রম আছে, য'ত প্রতিদান নোহোৱাকৈ কৰা একোটা চুক্তি সম্পূর্ণৰূপে বৈধ আৰু বদ্ধপৰিকৰ। এই ব্যতিক্রমবিলাক তলত দিয়া ধৰণৰ ঃ

- **প্রাকৃতিক মৰম আৰু ভাল পোৱাৰ ওপৰত কৰা চুক্তি [অনুচ্ছেদ ২৫(১)]** ঃ প্রতিদান নোহোৱাকৈ কৰা একোটা চুক্তি কার্যকৰী কৰাৰ যোগ্য, যদিহে ই -

  (১) লিখিতভাৱে প্রকাশিত।

  (২) পঞ্জীয়নৰ বাবে প্রযোজ্য সমসাময়িক নথি-পত্রসহ পঞ্জীভুক্ত থাকে।

  (৩) প্রাকৃতিক মৰম আৰু ভালপোৱাৰ বাবে সম্পন্ন কৰা হয়।

  (৪) পৰস্পৰে পৰস্পৰৰ নিকট সম্পর্ক থকা পক্ষৰ মাজত হয়।

- **অতীতৰ স্বেচ্ছামূলক সেৱাৰ বাবে ক্ষতিপূৰণৰ চুক্তি [অনুচ্ছেদ ২৫(২)]** ঃ প্রতিদান নোহোৱাকৈ কৰা একোটা প্রতিশ্রুতি তেতিয়াও বৈধ, যদিহে ই ক্ষতিপূৰণ দিয়াৰ প্রতিশ্রুতি হয়, সম্পূর্ণৰূপে বা আংশিকভাৱে, প্রতিশ্রুতি দিওঁতাৰ বাবে এজন লোকে যদি ইতিমধ্যে স্বেচ্ছামূলকভাৱে কিবা কাম কৰে, বা এনে কিবা কাম কৰি থৈছে যাৰ বাবে প্রতিশ্রুতি দিওঁতাই আইনগতভাৱে ক্ষতিপূৰণ দিবলৈ বাধ্য।

  উদাহৰণ স্বৰূপে, 'এ'ই 'বি'ৰ ধনৰ মোনাটো পালে আৰু 'বি'ক দি দিলে। 'বি'য়ে 'এ'ক ৫০ টকা পুৰস্কাৰ দিব বুলি প্রতিশ্রুতি দিলে। পিছত, কোনো প্রতিদান কৰা হোৱা নাই বুলি 'বি'য়ে পুৰস্কাৰ দিবলৈ অস্বীকাৰ কৰিব নোৱাৰে।

  এই ব্যতিক্রমৰ প্রতি মনোযোগ আকর্ষণ কৰিবৰ বাবে নিম্নোল্লিখিত বিষয়বোৰ উল্লেখ কৰিব পাৰি ঃ

  (১) প্রতিশ্রুতি দিওঁতাৰ বাবে স্বেচ্ছামূলকভাৱে সেৱা প্রদান কৰা হ'ব পাৰে। যদি ইয়াক স্বেচ্ছামূলকভাৱে কৰা হোৱা নাই, বৰং প্রতিশ্রুতি দিওঁতাৰ ইচ্ছা অনুসৰি কৰা হয়, তেতিয়া ই 'অতীত প্রতিদান' (অনুচ্ছেদ ২ (ডি) অনুসৰি)ৰ অধীনস্থ আৰু এই ব্যতিক্রমৰ অধীনস্থ নহয়।

  (২) সেৱা প্রদান কৰাৰ সময়ত প্রতিশ্রুতি দিওঁতা থাকিব লাগিব। এনেদৰে, যদিহে এজন উদ্যোক্তা দাতা (promoter)-ই সেই সময়ত নথকা কোনো কোম্পানীৰ বাবে সেৱা প্রদান কৰিছিল, তেওঁলোকক পৰিশোধ কৰিব বুলি কোম্পানীটোৱে দিয়া তদানীন্তন প্রতিশ্রুতিক ব্যতিক্রমৰ পৰিসৰলৈ আনিব নোৱাৰি। (আহমেদাবাদ জুবিলি স্পিনিংক' বনাম ছোটালাল)।

  (৩) প্রতিশ্রুতি দিওঁতাৰ বাবে নিজে কিবা কাম কৰা কোনো লোককহে ক্ষতিপূৰণ দিয়া হ'ব আৰু প্রতিশ্রুতি দিওঁতাৰ বাবে কোনো কাম নকৰা লোকক দিয়া নহয়।

এনেদৰে, যদি 'বি'য়ে 'এ'ক তেওঁৰ অসুখৰ সময়ত চোৱা-চিতা কৰিছিল কিন্তু 'এ'ৰ পৰা ধন ল'বলৈ অস্বীকাৰ কৰে। তেওঁলোক বন্ধু আৰু এই কামৰ প্ৰতি শ্ৰদ্ধা জনাই 'এ'ই 'বি'ৰ পুতেক 'ডি'ক ১,০০০ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে, 'এ' আৰু 'ডি'ৰ মাজত হোৱা চুক্তি গ্ৰহণযোগ্য নহয় কিয়নো ইয়াত প্ৰতিদান নথকাৰ বাবে ই ব্যতিক্ৰমৰ পৰিসৰত নপৰে।

(৪) প্ৰতিশ্ৰুতি দিওঁতাৰ উদ্দেশ্য হ'ব লাগিব প্ৰতিশ্ৰুতিৰ ক্ষতিপূৰণ দিয়া। প্ৰতিশ্ৰুতি পাওঁতাক ক্ষতিপূৰণ দিয়াৰ ইচ্ছাৰ বাহিৰে আন যিকোনো উদ্দেশ্যত দিয়া একোটা প্ৰতিশ্ৰুতি ব্যতিক্ৰমৰ পৰিসৰত নপৰে। (আব্দুল্লা খান বনাম পুৰুষোত্তম)

(৫) প্ৰতিশ্ৰুতি দিওঁতা, যাৰ বাবে সেৱা কাৰ্যকৰী কৰা হয়, সেৱা প্ৰদান কৰাৰ সময়ত সেৱা চুক্তি হোৱাৰ যোগ্য হ'ব লাগিব। এনেদৰে একোটা প্ৰতিশ্ৰুতি— প্ৰতিশ্ৰুতি দিওঁতাক তেওঁৰ নাবালক অৱস্থাত স্বেচ্ছামূলকভাৱে যোগান ধৰা সামগ্ৰীৰ বাবে পৰিশোধ কৰিব বুলি সাবালক অৱস্থাত দিয়া হ'লে সেই প্ৰতিশ্ৰুতি গ্ৰহণযোগ্য হ'ব আৰু প্ৰতিশ্ৰুতি পাওঁতাই সেৱা দাবী কৰিব পাৰে, (কৰম চান্দ বনাম বসন্ত কৌৰ)।

(৬) প্ৰদান কৰা সেৱা আইনসংগতত হ'ব লাগিব। অতীতৰ সহবাস এই ব্যতিক্ৰমৰ অধীনত প্ৰযোজ্য হোৱাকৈ পৰিশোধৰ প্ৰতিশ্ৰুতি হ'ব নোৱাৰে, (ছাবানো বনাম য়ানানাপ্পা)।

- **একোটা তামাদী ঋণ পৰিশোধৰ চুক্তি ঃ** অনুচ্ছেদ ২৫ (৩) অনুসৰি সীমাবদ্ধতাৰ আইনৰ দ্বাৰা নিৰ্দিষ্ট কৰা একোটা ঋণ সম্পূৰ্ণৰূপে বা আংশিকভাৱে পৰিশোধ কৰিব বুলি লিখিতভাৱে একোটা চুক্তি কৰিলে আৰু ঋণী বা তেওঁৰ স্বীকৃত প্ৰতিনিধিয়ে তাত স্বাক্ষৰ কৰিলে, তেনে চুক্তি কোনো প্ৰতিদানৰ দ্বাৰা সমৰ্থিত নহ'লেও গ্ৰহণযোগ্য হ'ব। একেটা সময়-নিৰ্দিষ্ট ঋণ পুনৰুদ্ধাৰ কৰিব নোৱাৰি আৰু সেয়ে এনে ঋণ পুনৰ পৰিশোধৰ বাবে দিয়া প্ৰতিশ্ৰুতিত প্ৰতিদান নাথাকে, সেয়ে বৰ্তমান ব্যতিক্ৰমৰ গুৰুত্ব গণ্য কৰা হয়।
  উদাহৰণ স্বৰূপে ঃ 'এ'ই 'বি'ক ১,০০০ টকা দিলে, কিন্তু এই ঋণ সীমাবদ্ধতা আইনৰ দ্বাৰা নিষিদ্ধকৃত। 'এ'ই 'বি'ক এই ঋণৰ বাবে ৫০০ টকা পৰিশোধ কৰিব বুলি লিখিত প্ৰতিশ্ৰুতি দিলে। এইটো এটা বৈধ চুক্তি।
- **সম্পূৰ্ণ কৰা উপহাৰ ঃ** প্ৰকৃতাৰ্থত সম্পন্ন কৰা যিকোনো উপহাৰ বৈধ। বৈধ হ'বৰ বাবে একোটা উপহাৰৰ ক্ষেত্ৰত প্ৰতিদানৰ আৱশ্যকতা নাই। এই ক্ষেত্ৰত এই ব্যতিক্ৰম প্ৰযোজ্য কৰিবৰ বাবে দাতা আৰু গ্ৰহণ কৰোতাৰ মাজত প্ৰাকৃতিক মৰম আৰু ভালপোৱা বা সম্পৰ্কৰ নৈকট্যৰ আৱশ্যক নাই। অৱশ্যে, উপহাৰ সম্পূৰ্ণ কৰা হ'বই লাগিব।
- **সংস্থাৰ চুক্তি ঃ** চুক্তি আইনৰ অনুচ্ছেদ ১৮৫ত কোৱা হৈছে যে একোটা সংস্থা সৃষ্টি কৰিবৰ বাবে কোনো বিবেচনাৰ প্ৰয়োজন নাই।



## ২.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- একোটা প্রস্তাব হৈছে কিবা কাম কৰিবলৈ বা কৰাৰ পৰা বিৰত থাকিবলৈ কৰা ইচ্ছাৰ প্রকাশ।
- এজন লোকে নিজকে কোনো প্রস্তাৱ দিব নোৱাৰে।
- প্রস্তাব গ্রহণ বা বর্জন কৰিবলৈ প্রস্তাব দিওঁতাৰ সন্মতি পাবৰ বাবে প্রস্তাব কৰা হয়।
- একোটা প্রস্তাবত দুটা পক্ষ থাকে— প্রস্তাব দিওঁতা আৰু লওঁতা। প্রস্তাব গ্রহণ কৰাৰ পিছত, প্রস্তাব লওঁতাক প্রতিশ্রুতিগ্রহীতা বা প্রস্তাবগ্রহীতা বুলি জনা যায়।
- একোটা প্রস্তাবত থকা বিধিগত নিয়মাৱলীত আছে, প্রস্তাৱ প্রকাশিত বা প্রযোজ্য হ'বই লাগিব, এটা বিধিগত সম্পর্ক সৃষ্টি কৰাৰ সংকল্প থাকিব লাগিব, একোটা প্রস্তাবৰ চর্তাৱলী স্পষ্ট আৰু নির্দিষ্ট হ'বই লাগিব ইত্যাদি।
- সময় সাপেক্ষ নহ'লে, মৃত্যু বা মানসিক ভাৰসাম্যহীনতা, বাতিল বা প্রত্যাহাৰৰ ফলত প্রস্তাব অযোগ্য হ'ব পাৰে।
- গ্রহণৰ ক্ষেত্রত থকা বিধিগত নিয়মাৱলীত আছে, যিজন লোকক প্রস্তাব দিয়া হয় কেৱল তেওঁহে গ্রহণ কৰিব লাগে, ই নির্দিষ্ট আৰু চর্তহীন হ'ব লাগে, ই গ্রহণ কৰোতাৰ দ্বাৰা প্রেৰিত হ'ব লাগে ইত্যাদি।
- প্রতিদান মানে হৈছে, চুক্তিত কৰা প্রতিশ্রুতিৰ প্রতিদান বা সম পৰিমাণ হিচাপে গ্রহণ কৰা বা সন্মত হোৱা কিবা বস্তু।
- প্রতিদানৰ ক্ষেত্রক থকা বিধিগত নিয়মাৱলীত আছে, প্রতিদান বাস্তৱ হ'ব লাগিব, প্রতিদান যথোচিত বা সম-পৰিমাণৰ হোৱাৰ আৱশ্যক নাই, প্রতিদান আইন-বহির্ভূত, অনৈতিক বা ৰাজহুৱা নীতিৰ পৰিপন্থী হ'ব নালাগে, প্রতিদান অতীত, বর্তমান বা ভৱিষ্যৎ হ'ব পাৰে ইত্যাদি।



## ২.১৩ অধিক জানিবলৈ (FURTHER READINGS)

১) Commercial Law (including Company Law and Industrial Law); by Arun Kumar Sen and Jitendra Kumar Mitra

২) Principles of Mercantile Law; by R.P Maheshwari and S.N. Maheshwari

৩) Elements of Mercantile Law; by N.D Kapoor

৪) Business Regulatory Framework; by K. C Garg, V. K. Sareen and Mukesh Sharma



## ২.১৪ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

**১ নং প্রশ্নৰ উত্তৰঃ** 'প্রস্তাব' অর্থাৎ 'proposal' বা 'offer' বুলিলে একেটা অর্থকে বুজোৱা হয় আৰু সালসলনিকৈ ব্যৱহৃত হয়। ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ২ (এ) অনুসৰি, 'যেতিয়া এজন লোকে আন এজন লোকক কোনো কাম কৰিব বা কৰাৰ পৰা বিৰত থাকিব বুলি ইচ্ছা ব্যক্ত কৰে, এনে কার্য সম্পন্ন কৰা বা বিৰত থকাৰ প্রতি আনজনৰ সন্মতি আহৰণৰ লক্ষ্য ৰাখে, তেতিয়াই তেওঁ এটা প্রস্তাব কৰা বুলি কোৱা হয়।'

**২ নং প্রশ্নৰ উত্তৰঃ** যেতিয়া একোটা প্রস্তাব মুখেৰে বা লিখিতভাৱে শব্দত প্রকাশ কৰা হয় তেতিয়া তাক প্রকাশিত প্রস্তাব বোলা হয়।

**৩ নং প্রশ্নৰ উত্তৰঃ** যিজন লোকক প্রস্তাব দিয়া হয় তেওঁ যদি প্রস্তাবক প্রতি সন্মতি জনায় তেন্তে সেই প্রস্তাবগ্রহীত হোৱা বুলি কোৱা হয়।

**৪ নং প্রশ্নৰ উত্তৰঃ** প্রতিদান মানে হৈছে, চুক্তিত কৰা প্রতিশ্রুতিৰ প্রতিদান বা সম পৰিমাণ হিচাপে গ্রহণ কৰা বা সন্মত হোৱা কিবা বস্তু।



## ২.১৫ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

**প্রশ্ন ১ঃ** প্রস্তাবৰ সংজ্ঞা দিয়ক।

**প্রশ্ন ২ঃ** গ্রহণ মানে কি?

**প্রশ্ন ৩ঃ** প্রতিদানৰ সংজ্ঞা দিয়ক।

**প্রশ্ন ৪ঃ** প্রস্তাবৰ বিধিগত নিয়মবোৰৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ৫ঃ** 'প্রতিদান অবিহনে চুক্তি নহয়' নিয়মৰ ব্যতিক্রমবোৰৰ বিষয়ে আলোচনা কৰক।

**প্রশ্ন ৬ঃ** প্রতিদানৰ বিধিগত নিয়মবোৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***